**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-10-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া লাওচ ভ্ৰমণসূচীৰে ভিয়েনটিয়েনত উপস্থিত হৈছে।
২। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ভাৰতীয় চলচ্চিত্ৰই ইয়াৰ বিশাল ভাষিক আৰু সাংস্কৃতিক বৈচিত্ৰৰ জৰিয়তে দেশৰ প্ৰতিটো কোণৰ জনসাধাৰণক একত্ৰিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে বুলি প্ৰকাশ কৰিছে।
৩। মুম্বাইৰ পৰিৱেশ্য কলাৰ ৰাষ্ট্ৰীয় কেন্দ্ৰ এন চি পি এ-ত প্ৰসিদ্ধ উদ্যোগপতি তথা লোকহিতৈষী ৰতন টাটাৰ প্ৰতি শেষ শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে অগণন লোকৰ সমাগম ঘটিছে।
৪। ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া অহা বছৰ ২৮ জানুৱাৰীৰ পৰা ১৪ ফেব্ৰুৱাৰীলৈ উত্তৰাখণ্ডত অনুষ্ঠিত হ'ব।

আৰু

৫। মহিলাৰ আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি শ্বাৰজাহত হ'বলগীয়া গ্ৰুপ-বিৰ এখন খেলত বাংলাদেশ ৱেষ্ট ইণ্ডিজৰ সন্মুখীন হ'ব।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া লাওচ ভ্ৰমণসূচীৰে ভিয়েনটিয়েনত উপস্থিত হৈছে। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে আছিয়ান ৰাষ্ট্ৰসমূহৰ লগত ভাৰতৰ সম্পৰ্ক অধিক শক্তিশালী কৰি তুলিব। দেশখনত থকা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলে প্ৰধানমন্ত্ৰীক আদৰণি জনায়। ভ্ৰমণৰ পূৰ্বে নতুন দিল্লীত প্ৰধানমন্ত্ৰীয়ে দিয়া এটা বিবৃতিত কয় যে তেওঁ আজি ২১ সংখ্যক আছিয়ান ভাৰত শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীয়ে এইবাৰকে ধৰি এছিয়ান-ভাৰত শীৰ্ষ সন্মিলনত দশমবাৰৰ বাবে অংশগ্ৰহণ কৰিব। এই সন্মিলনত অংশগ্ৰহণ কৰাৰ সুযোগতে শ্ৰী মোদীয়ে লাওচৰ ভাষাত প্ৰদৰ্শন কৰা ৰামায়ণ উপভোগ কৰিব। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণ সন্দৰ্ভত কালি এখন সংবাদমেল সম্বোধন কৰি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ প্ৰাচ্যৰ সচিব জয়দ্বীপ মজুমদাৰে কয় যে এই ভ্ৰমণৰ কালছোৱাত শ্ৰীমোদীয়ে আছিয়ান দেশসমূহৰ চৰকাৰী মুৰব্বীসকলৰ সৈতে ভাৰত আৰু আছিয়ান দেশসমূহৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক আৰু উন্নয়নৰ বিষয়ে পৰ্যালোচনা কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে ভিয়েনটিয়েনত ১৯ সংখ্যক পূব এছিয়া শীৰ্ষ সন্মিলনতো অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ এক্ট ইষ্ট পলিচীৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰি কয় যে তেওঁ আছিয়ান নেতাসকলৰ সৈতে সংযুক্ত হৈ সৰ্বাত্মক কৌশলগত সহযোগিতাৰ অগ্ৰগতি সম্পৰ্কে পৰ্যালোচনা কৰিব। ভৱিষ্যত সহযোগিতাৰ দিশ সম্পৰ্কেও লগতে নীতি-নিৰ্দেশনা প্ৰস্তুত কৰিব। শ্ৰী মোদীয়ে পূব এছিয়া সন্মিলনে ভাৰত-প্ৰশান্ত মহাসাগৰীয় এলেকাৰ শান্তি-সুস্থিৰতা আৰু সমৃদ্ধিৰ ক্ষেত্ৰত অহা প্ৰত্যাহ্বানসমূহৰ ক্ষেত্ৰতো নতুন সুযোগৰ সৃষ্টি কৰিব বুলি মত প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে লাওচৰ লগতে সমগ্ৰ অঞ্চলটোৰ সংস্কৃতি আৰু সভ্যতাৰ সৈতে ভাৰতৰ ঘনিষ্ঠ সম্পৰ্ক আছে।

000000000

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ভাৰতীয় চলচ্চিত্ৰই ইয়াৰ বিশাল ভাষিক আৰু সাংস্কৃতিক বৈচিত্ৰৰ জৰিয়তে দেশৰ প্ৰতিটো কোণৰ জনসাধাৰণক একত্ৰিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে বুলি সজোৰে প্ৰকাশ কৰিছে। শ্ৰী বৈষ্ণৱে এটা লেখাৰ জৰিয়তে কৈছে যে বিচিত্ৰতা আৰু সমন্বয়ৰ কাহিনীৰে চিনেমাই এক ভাৰত শ্ৰেষ্ঠ ভাৰত দৃষ্টিকোণক শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ মাধ্যম হিচাপে কাম কৰি আহিছে। চিনেমাই এটা সাৰ্বজনীন ভাষা কয় বুলি কৰা সত্যজিৎ ৰায়ৰ মন্তব্যৰ বিষয়ে উল্লেখ কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰীগৰাকীয়ে বৈচিত্ৰৰ মাজত ঐক্যৰ ক্ষমতাৰ বিষয়ে আলোকপাত কৰে। শ্ৰী বৈষ্ণৱে কয় যে ভাৰতীয় চিনেমাই আঞ্চলিক আৰু ভাষিক সীমা পাৰ কৰি সমন্বয়ৰ মনোভাৱক উজ্জীৱিত কৰি তোলে। তেওঁ কয় যে প্ৰখ্যাত অভিনেতা ৰাজ কাপুৰৰ চিৰসেউজ বোলছবি Shree 420 ৰ পৰা আৰম্ভ কৰি মণিৰত্নমৰ ৰোজা বোলছবিলৈকে ভাৰতীয় চলচ্চিত্ৰই ভাষাগত দিশৰ পৰা ওপৰলৈ উঠি জনসাধাৰণৰ অন্তৰত স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে।

000000000

বিশ্বৰ বিভিন্ন অংশত আজি বিশ্ব মানসিক স্বাস্থ্য দিৱস পালন কৰা হৈছে। মানসিক স্বাস্থ্য সম্পৰ্কে সজাগতা সৃষ্টিৰ লগতে বিশ্বত মানসিক স্বাস্থ্য সেৱাৰ প্ৰসাৰৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়। এইবেলি এই দিৱসৰ মূল বিষয়বস্তু হৈছে- **কৰ্মস্থলীত মানসিক স্বাস্থ্য।**

00000

মুম্বাইৰ পৰিৱেশ্য কলাৰ ৰাষ্ট্ৰীয় কেন্দ্ৰ এন চি পি এ-ত প্ৰসিদ্ধ উদ্যোগপতি তথা লোকহিতৈষী ৰতন টাটাৰ প্ৰতি শেষ শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে অগণন লোকৰ সমাগম ঘটিছে। মুম্বাইৰ এখন এখন ব্যক্তিগত হাস্পতালত কালি ৮৬ বছৰ বয়সত

ৰতন টাটাই শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ মৃতদেহ এন চি পি এ-ৰ চৌহদত  বিয়লি চাৰে চাৰি বজালৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে ৰখা হ'ব। আজি সন্ধিয়া ৱৰ্লিত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ'ব। এই উদ্দেশ্যে অঞ্চলটোত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰতন টাটাৰ বিয়োগত গভীৰ শোকপ্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীয়ে ৰতন টাটাৰ ভাতৃ নৱেল টাটাৰ সৈতেও আজি পুৱা কথা-বতৰা হয়। গৃহমন্ত্ৰী অমিত শ্বাহে  কেন্দ্ৰীয় চৰকাৰৰ হৈ ৰতন টাটাৰ অন্ত্যেষ্টিক্ৰিয়াত অংশগ্ৰহণ কৰিব। মহাৰাষ্ট্ৰ চৰকাৰে প্ৰসিদ্ধ উদ্যোগপতি ৰতন টাটাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি আজি ৰাজ্যিক শোকৰ দিন হিচাপে ঘোষণা কৰিছে। ৰাজ্যখনত লগতে আজিৰ দিনটোৰ বাবে সকলো চৰকাৰী কাৰ্যসূচী বাতিল কৰা হৈছে।

২০১২ চনৰ ২৯ ডিচেম্বৰত ৰতন টাটাক টাটা ছন্স, টাটা ইণ্ডাষ্ট্ৰিজ, টাটা মটৰছ, টাটা ষ্টিল আৰু টাটা কেমিকেলছৰ আজীৱন অধ্যক্ষৰ উপাধিৰে সন্মানিত কৰা হৈছিল। ভাৰতৰ সবাতোকৈ প্ৰসিদ্ধ উদ্যোগপতিসকলৰ অন্যতম ৰতন টাটাই ২ দশকৰো অধিক সময় ধৰি টাট ছন্সৰ অধ্যক্ষ হিচাপে কাম কৰিছিল। তেওঁ টাটা ন্যাসৰ জৰিয়তে লোকহিতৈষী অনেক কামত ভাগ লৈছিল। তেওঁক ২০০০ চনত পদ্মভূষণ আৰু ২০০৮ চনত পদ্মবিভূষণসহ অনেক সন্মানেৰে বিভূষিত কৰা হৈছিল।

ooooo

কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জগত প্ৰকাশ নড্ডা আজি কলকাতাত উপস্থিত হ'ব। তেওঁ বেলুৰ মঠ ভ্ৰমণ কৰিব আৰু দুৰ্গা পূজা উদযাপনত অংশগ্ৰহণ কৰিব। ইয়াৰ পিছত শ্ৰী নড্ডা সন্তোষ মিত্ৰ square দুৰ্গা পূজা মণ্ডপলৈ যাব। তেঁও লগতে শেহতীয়াকৈ ধ্ৰুপদী ভাষাৰ মৰ্যাদা পোৱা বাংলা ভাষা সন্দৰ্ভত এক অনুষ্ঠানত অংশগ্ৰহণ কৰিব।শেহতীয়াকৈ বাংলা ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়া হৈছে।

ooooo

৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া অহা বছৰ ২৮ জানুৱাৰীৰ পৰা ১৪ ফেব্ৰুৱাৰীলৈ উত্তৰাখণ্ডত অনুষ্ঠিত হ'ব। ভাৰতীয় অলিম্পিক সংস্থাই চলিত মাহৰ ২৫ তাৰিখে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বাবে সম্পূৰ্ণ কাৰ্যসূচী গ্ৰহণ কৰিব। ৰাষ্ট্ৰীয় ক্ৰীড়াৰ উপৰি উত্তৰাখণ্ডে শীতকালীন ৰাষ্ট্ৰীয় ক্ৰীড়াও অনুষ্ঠিত কৰিব।

নতুন দিল্লীত অনুষ্ঠিত এখন বৈঠকত উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামিয়ে ভাৰতীয় অলিম্পিক সংস্থাৰ সভাপতি প্ৰীতি উষাক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, উত্তৰাখণ্ডে ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া অনুষ্ঠিত কৰিবলৈ সম্পূৰ্ণ ৰূপে প্ৰস্তুত। তেওঁ খেলুৱৈ আৰু দৰ্শকসকলক সম্পূৰ্ণ সুবিধা প্ৰদান কৰিব বুলিও প্ৰতিশ্ৰুতি দিয়ে।

ooooo

———ফিনলেণ্ডৰ ৱাণ্টাত অনুষ্ঠিত ARCTIC OPEN বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ লক্ষ্য সেন আৰু কিৰণ জৰ্জ পুৰুষৰ একক শাখাৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। কিৰণে কালি বিশ্বৰ ২৫ নম্বৰ খেলুৱৈ টাইৱানৰ ৱাং জু ৱেক ২৩-২১, ২১-১৮ পোনপটীয়া ছেটত পৰাস্ত কৰে। দ্বিতীয় পৰ্যায়ত আজি খেলুৱৈগৰাকী ইন্দোনেছিয়াৰ জোনাটন কৃষ্টিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইপিনে, লক্ষ্য সেনে টাইৱানত আজি বিশ্ব চেম্পিয়নশ্বিপৰ ব্ৰঞ্জৰ পদক বিজয়ী চৌ টিয়েন চেনৰ বিৰুদ্ধে খেলিব। ইপিনে, মহিলাৰ একক শাখাত ভাৰতৰ মালবিকা বাঞ্চ'ৰ, উন্নতি হোদা আৰু আকৰ্ষি কাশ্যপেও আজি প্ৰি কোৱাৰ্টাৰ ফাইনেলৰ খেলসমূহত অৱতীৰ্ণ হ'ব। মালবিকাই থাইলেণ্ডৰ, উন্নতিয়ে কানাডাৰ আৰু আকৰ্ষি কাশ্যপে চীনৰ প্ৰতিদ্বন্দ্বীৰ সন্মুখীন হ'ব। মিক্সড্ ডাবলছ্ শিতানত সতীশ কুমাৰ কৰুণাকৰণ আৰু আদ্যা বৰিয়ত চীনৰ যুটি চেং জিং আৰু ঝাং চীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooooo

ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত মহিলাৰ আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত ভাৰতে যোৱানিশা শ্ৰীলংকাক ৮২ ৰানত পৰাস্ত কৰে। ৰানৰ দিশৰ পৰা মহিলা টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ইতিহাসত ভাৰতৰ এয়া সৰ্ববৃহৎ জয়। ভাৰতে কালি এই জয়ৰ সুবাদত প্ৰতিযোগিতাৰ পইণ্ট তালিকাত ৰান ৰেটৰ আধাৰত পাকিস্তান আৰু নিউজিলেণ্ডক চেৰ পেলাবলৈ সক্ষম হৈছে। ভাৰতে খেলখনত প্ৰথমে বেট ধৰি হৰমনপ্ৰীত কৌৰ আৰু স্মৃতি মান্ধানাৰ অৰ্ধ শতকৰ সহায়ত ১৭২ ৰান কৰে। স্মৃতি মান্ধানাই ৫০ ৰান কৰাৰ বিপৰীতে হৰমনপ্ৰীত কৌৰে ৫২ ৰান কৰি আউট নোহোৱাকৈ থাকে। প্ৰত্যুত্তৰত শ্ৰীলংকাই ১৯ অ'ভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ৯০ ৰান কৰিবলৈ সমৰ্থ হয়। হৰমনপ্ৰীত কৌৰক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। প্ৰতিযোগিতাত আজি শ্বাৰজাহত হ'বলগীয়া গ্ৰুপ-বিৰ এখন খেলত বাংলাদেশ ৱেষ্ট ইণ্ডিজৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

oooooooo

সমাপ্ত